# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা


নং ঃ ৭৩/২০২০

## কলকাতাৰ চল্ট লেকৰ চেক্টৰ- ৩ ত নতুনকৈ নিৰ্মাণ কৰা সংযোজিত অসম ভৱন আৰু বাণিজ্য কেন্দ্ৰ তথা যুৱ নিৱাসৰ আনুষ্ঠানিক শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

### এই ভৱনে অসম আৰু পশ্চিমবংগৰ সমন্বয়ৰ সেঁতু শক্তিশালী কৰাৰ দিশত ইতিবাচক বাতাৱৰণৰ সৃষ্টি কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গড়কাপ্তানি, বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কলকাতাৰ চল্ট লেকৰ চেক্টৰ-৩ ত নতুনকৈ নিৰ্মাণ কৰা সংযোজিত অসম ভৱন আৰু বাণিজ্য কেন্দ্ৰ তথা যুৱ নিৱাসৰ আনুষ্ঠানিক শুভ উদ্বোধন কৰে।

উল্লেখ্য যে আধুনিক সা-সৰঞ্জাম আৰু শীত-তাপ নিয়ন্ত্ৰণৰ সৈতে ১১ মহলীয়া এই অসম ভৱনত পুৰুষ আৰু মহিলাৰ বাবে পৃথকভাৱে ৩৫ টা কোঠা আৰু বহু শয্যা বিশিষ্ট হলঘৰ সন্নিৱিষ্ট কৰা হৈছে। ২৫ কোটি ১৮ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা ৯০ খন বিছনাযুক্ত এই ভৱনত ২ টা ভিভি আই পি চ্যুট, ১০ টা ভিআই পি চ্যুট, এটা কনফাৰেঞ্চ হল, পৰ্যাপ্ত কাৰ পাৰ্কিং, ৰিচিপচন লঞ্জ, কিটচেন আৰু ডাইনিং ৰুম সন্নিৱিষ্ট কৰা হৈছে।

ভৱন উদ্বোধন কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ভৱনে অসম আৰু পশ্চিমবংগৰ সমন্বয়ৰ সেঁতু শক্তিশালী কৰাৰ দিশত উল্লেখযোগ্য আৰু ইতিবাচক বাতাৱৰণৰ সৃষ্টি কৰিব বুলি কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কলকাতাবাসী অসমীয়াই অসমৰ উপযুক্ত গুণানুকীৰ্ত্তন কৰি বিশ্বৰ বুকুত অসমৰ শক্তিশালী স্থিতি প্ৰতিপন্ন কৰিব লাগিব। বহু মহলীয়া আধুনিক সা-সুবিধা থকা এই অসম ভৱনত থকা বাণিজ্য কেন্দ্ৰই অসম যে এতিয়া এখন বিনিয়োগৰ অনুকূল ৰাজ্য সেই বিষয়ে উপযুক্ত তথ্য দাঙি ধৰিব লাগিব বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপৰ ফলশ্ৰুতিত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নে বৰ্তমান নতুন মাত্ৰা লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী', 'ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন' বুলি অভিহিত কৰি বিশ্ব দৰবাৰত অসম তথা উত্তৰ -পূৰ্বাঞ্চলৰ শক্তিশালী স্থিতিৰ উমান দিছে বুলিও মুখ্যমন্ত্ৰী গৰাকীয়ে নিজৰ ভাষণত উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা 'এক্ট ইষ্ট পলিচি' ৰূপায়ণৰ পদক্ষেপে গুৱাহাটীক এতিয়া দক্ষিণ পূৱ এছিয়াৰ কেন্দ্ৰ বিন্দু হিচাপে প্ৰক্ষেপ কৰাৰ বাট মুকলি কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এতিয়া অসমে অন্য ৰাজ্যতকৈ কোনো গুণে পিছপৰি থকা নাই বুলি উল্লেখ কৰি অসমৰ উন্নয়নে এতিয়া অন্যান্য ৰাজ্যকো চেৰ পেলাবলৈ সক্ষম হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কলকতাবাসী অসমবাসীক বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ দিশত গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়ে সঠিক অৱলোকনেৰে এই দিশত এক শক্তিশালী ভূমিকা

গ্ৰহণ কৰাৰ বাবেও আহ্বান জনায়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি গড়কাপ্তানি, স্বাস্থ্য, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০১৬ চনৰ পৰা বৰ্তমানৰ ৰাজ্য চৰকাৰখনে হাতত লোৱা বিভিন্ন শক্তিশালী পদক্ষেপৰ অৱলোকনেৰে বক্তব্য প্ৰদান কৰে। এই সম্পৰ্কে তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ হাতত লৈয়ে ৰাজ্যৰ বাহিৰত নিৰ্মীয়মান অৱস্থাত থকা অসম ভৱন সমূহ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰিছিল আৰু সেই লক্ষ্য পূৰণৰ অংশ হিচাপে দিল্লীত অসম হাউছ, চেন্নাইৰ অসম ভৱন ইতিমধ্যে মুকলি হৈছে। ভেলোৰত ১৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা অসম ভৱন অহা ব'হাগ মাহৰ ভিতৰত উদ্বোধন কৰাৰ উপৰি এই বছৰৰ শেষৰ ফালে ৩২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱা বাংগালুৰু অসম ভৱনৰ উদ্বোধন কৰা হ'ব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে দিল্লীৰ দ্বাৰকাত আৰু এটা অসম ভৱন, কলকাতাৰ ৰাচেল ষ্ট্ৰীটস্থিত পুৰণি অসম ভৱনৰ ঠাইত অত্যাধুনিক সা-সুবিধা বিশিষ্ট বহু মহলীয়া অসম ভৱন নিৰ্মাণৰো লক্ষ্য লোৱা হৈছে। তদুপৰি পুনে আৰু চণ্ডীগড়তো অসম ভৱন নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি মন্ত্ৰী গৰাকীয়ে কয়। মন্ত্ৰী গৰাকীয়ে বিগত প্ৰায় চাৰিটা বছৰত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে উন্নয়নৰ যি শক্তিশালী পদক্ষেপ লৈছে ইয়াৰ ফলত অসমৰ সামগ্ৰিক প্ৰতিচ্ছৱি সলনি হৈ গৈছে বুলিও কয়। এতিয়া অসমৰ বিষয়ে কোনোৱে নেতিবাচক দৃষ্টিভংগী প্ৰদান কৰিব নোৱাৰে বুলিও মন্ত্ৰী গৰাকীয়ে কয়।

সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৱে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই সংযোজিত অসম ভৱন উদ্বোধনী অনুষ্ঠানত গড়কাপ্তানি (গৃহ) বিভাগৰ আয়ুক্ত সচিব ৰাজ চক্ৰৱৰ্তীয়েও বক্তব্য প্ৰদান কৰে। উক্ত অনুষ্ঠানতে গড়কাপ্তানি বিভাগৰ মুখ্য অভিযন্তা জ্যোতিষ শৰ্মাই অসম ভৱনৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেন্টশ্যনো আগবঢ়ায়। আজিৰ এই অনুষ্ঠানত সাংসদ ড° ৰাজদ্বীপ ৰয়, বিধায়ক দ্বয় ক্ৰমে বিমল বৰা আৰু ৰমাকান্ত দেউৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালীকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**১৬/০২/২০২০**